# অসমৰ ভূগোল

## ১। অসমৰ মাটিকালি , জনসংখ্যা আৰু জনসংখ্যা ঘনত্বৰ বিষয়ে তথ্য সহকাৰে চমুকৈ লিখা ।

**উত্তৰঃ** অসমৰ মুঠ মাটিকালি হৈছে প্ৰায় ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ যি ভাৰতবৰ্ষৰ মুঠ মাটিকালিৰ প্ৰায় ২.৪ শতাংশ ভূমি সামৰি লৈছে । ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা হৈছে ৩১২.০৫ লাখ বা ৩১ নিযুত যিয়ে ভাৰতবৰ্ষৰ মুঠ জনসংখ্যা প্ৰায় ২.৬ শতাংশ গঠন কৰিছে ।

এই জনসংখ্যাৰ ভিতৰত ১৫৯.৩৯ লাখ পুৰুষ আৰু ১৫২.৬৬ লাখ মহিলা । ১৯০১ চনত অসমত জনসংখ্যা ঘনত্ব আছিল প্ৰতি বৰ্গ কিলোমিটাৰত ৪২ জন যি ২০১১ চনলৈ বৃদ্ধি হৈ প্ৰতি বৰ্গ কিলোমিটাৰত ৩৯৮ জন হয়গৈ ।

অসমৰ জনসংখ্যা প্ৰায় ৮৫ শতাংশ জনসংখ্যাই ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰে যত । ২০০১ চন আৰু ২০১১ চনৰ লোকপিয়লৰ তথ্য মতে জনসংখ্যা ঘনত্ব আছিল প্ৰতি বৰ্গ কিঃ মিঃত ক্ৰমে ১২২০ জন । আৰু ১৫০২ জন ।

## ২। অসমৰ শিক্ষিতৰ হাৰ কিদৰে বৃদ্ধি হৈছে চমুকৈ উল্লেখ কৰা ।

**উত্তৰঃ** ২০০১ চনৰ লোকপিয়লৰ তথ্যমতে অসমত শিক্ষিত লোকৰ হাৰ আছিল মাত্ৰ ৬৩.২৫ শতাংশ যি এটা দশকৰ ভিতৰত ১০ শতাংশ বৃদ্ধি হৈ ২০১১ চনত ৭২.১৯ শতাংশ হয়। ই হ'ল এক বুজন পৰিমাণৰ বৃদ্ধি ।

## ৩। ২০১১ চনৰ তথ্য মতে অসমত কেইখন প্ৰথম শ্ৰেণীৰ আৰু কেইখন দ্বিতীয় শ্ৰেণীৰ চহৰ আছে ?

**উত্তৰঃ** ২০১১ চনৰ লোকপিয়লৰ তথ্য মতে অসমত ৭ খন প্ৰথম শ্ৰেণীৰ আৰু ৬ খন দ্বিতীয় শ্ৰেণীৰ চহৰ আছে । " প্ৰথম শ্ৰেণীৰ চহৰ " শব্দটোৰে এক লাখ বা ততোধিক জনসংখ্যা থকা চহৰসমূহক বুজোৱাৰ বিপৰীতে " দ্বিতীয় শ্ৰেণীৰ চহৰ " শব্দটোৰ দ্বাৰা ৫০ হাজাৰৰ পৰা ১ লাখৰ ভিতৰত জনসংখ্যা থকা চহৰসমূহক বুজোৱা হৈছে ।

## ৪। ১৯০১ চনৰ পৰা ২০১১ চনলৈ অসমৰ জনসংখ্যা বৃদ্ধিৰ বিষয়ে আলোচনা কৰা ।

**উত্তৰঃ** প্ৰদত্ত তথ্য মতে ১৯০১ চনত অসমৰ জনসংখ্যা আছিল ৩ নিযুত যিয়ে ভাৰতৰ মুঠ জনসংখ্যা প্ৰায় ১.৩৮ শতাংশ গঠন কৰিছিল। ইয়াৰ পিছত ১৯৪১ চনত ৰাজ্যখনৰ জনসংখ্যা বৃদ্ধি হৈ ৭ নিযুতৰ ঘৰত উপনীত হয়গৈ। ইয়াৰ পৰা দেখা যায় যে ১৯০১ চন আৰু ১৯৪১ চনৰ মাজত অসমৰ জনসংখ্যা দুগুণতকৈও অধিকভাৱে বৃদ্ধি হৈছিল।

কিন্তু, স্বাধীনাোত্তৰ সময়ছাোৱাত, ১৯৫১ চনৰ পৰা সীমান্তৰে হাোৱা আন্তঃ প্ৰব্ৰজনৰ ফলত ৰাজ্যখনৰ জনসংখ্যা অধিক দ্ৰুতভাৱে বৃদ্ধিহ'বলৈ ধৰে। ১৯৫১-৬১ আৰু ১৯৬১-৭১ চনৰ সময়ছাোৱাত ৰাজ্যখনৰ জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল ক্ৰমে ৩৪.৯৮ শতাংশ আৰু ৩৪.৯৫ শতাংশ।

অৱশ্যে ইয়াৰ পৰৱৰ্তী দশকসমূহত অৰ্থাৎ ১৯৭১-৮১, ১৯৮১-৯১, ১৯৯১-২০০১, ২০০১-২০১১ৰ দশকত বাংলাদেশৰ পৰা হাোৱা প্ৰব্ৰজন নিয়ন্ত্ৰণ কৰাৰ লগতে মৃত্যু হাৰৰ বৃদ্ধিৰ ফলত ৰাজ্যখনৰ জনসংখ্যা বৃদ্ধিৰ হাৰ সামান্যভাৱে হ্ৰাস হয়।

২০০১-২০১১ৰ দশকত এই বৃদ্ধিৰ হাৰ আছিল মাত্ৰ ১৭.৭ শতাংশ যি স্বাধীনতাৰ পিছৰ দশকসমূহত ৩০ শতাংশৰাে অধিক আছিল। বৰ্তমান ৰাজ্যখনৰ মুঠ জনসংখ্যা হৈছে ৩১ নিযুত যি ১৯০১ চনত মাত্ৰ ৩ নিযুত আছিল আৰু এই বৃদ্ধি আছিল প্ৰায় দহগুণ।

## ৫। ভৌগাোলিক অঞ্চলভেদে উপযুক্ত মানচিত্ৰৰ সহায়ত অসমৰ জনসংখ্যাৰ বিতৰণ পৰ্যালাোচনা কৰা।

**উত্তৰঃ** ভৌগাোলিক অঞ্চলভেদে অসমৰ জনসংখ্যাক জনসংখ্যা ঘনত্ব আৰু আকাৰ অনুসৰি ৰাজ্যখনক তিনিটা অঞ্চলত ভাগ কৰাৰ দ্বাৰা ব্যাখ্যা কৰিব পৰা যায়। তলত ইয়াক মানচিত্ৰ সহকাৰে দেখুৱা হ'ল-

তালিকা-৪.৪ ঃ অসমৰ ভৌগোলিক অঞ্চলভেদে জনসংখ্যাৰ বিতৰণ (২০০১-২০১১)

| অঞ্চল | মাটিকালি (বৰ্গ কি.মি.) | অসমৰ মুঠ মাটিকালিৰ শতাংশ ভাগ | জনসংখ্যা | | অসমৰ মুঠ জনসংখ্যাৰ শতাংশ ভাগ | | জনসংখ্যাৰ ঘনত্ব (জনসংখ্যা প্ৰতি বৰ্গ কি.মি.ত) | |
|---|---|---|---|---|---|---|---|---|
| | | | ২০০১ | ২০১১ | ২০০১ | ২০১১ | ২০০১ | ২০১১ |
| **(ক) ব্ৰহ্মপুত্ৰ উপত্যকা** | ৫৬,১৯৪ | ৭১.৬৪ | ২২৬৫৮৩৬৯ | ২৬৪১১০৫৬২ | ৮৫.০০ | ৮৪.৬৩ | ১২২০ | ১৫০২ |
| (১) উজনি ব্ৰহ্মপুত্ৰ উপত্যকা | ২১,৭০৬ | ২৭.৬৭ | ৫৮৪৭০৪৫ | ৬৬২৫৮৪০ | (২১.৯৪) | (২১.২৩) | ৩২৭ | ৩৭১ |
| (২) মধ্য ব্ৰহ্মপুত্ৰ উপত্যকা | ১৪,৩৪০ | ১৮.২৮ | ৭২২২৯৯৭ | ৮৫৩২৩৫৭ | (২৭.০৯) | (২৭.৩৪) | ৪২০ | ৫০০ |
| (৩) নামনি ব্ৰহ্মপুত্ৰ উপত্যকা | ২০,১৪৮ | ২৫.৬৯ | ৯৫৮৮৩২৭ | ১১২৫২৩৬৫ | (৩৫.৯৭) | (৩৬.০৬) | ৪৭৩ | ৬৩১ |
| **(খ) বৰাক উপত্যকা** | ৬,৯২২ | ৮.৮২ | ২৯৯৫৭৬৯ | ৩৬২৪৫৯৯ | ১১.২৪ | ১১.৬২ | ৪৪৯ | ৫৪৫ |
| (গ) পাৰ্বত্য অঞ্চল | ১৫,৩২২ | ১৯.৫৪ | ১০০১৩৯০ | ১১৭০৪১৫ | ৩.৭৬ | ৩.৭৫ | ৫৮ | ৬৮ |
| **অসম** | ৭৮,৪৩৮ | ১০০ | ২৬৬৫৫৫২৮ | ৩১২০৫৫৭৬ | ১০০ | ১০০ | ৩৪০ | ৩৯৮ |

উৎস ঃ ভাৰতৰ লোকপিয়ল তথ্যৰ আধাৰত। বন্ধনীৰ ভিতৰত দিয়া শতাংশ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনসংখ্যাৰ শতাংশ।

( ক ) **ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল :-** ই হৈছে অসমৰ সৰ্বাধিক জনসংখ্যাপূৰ্ণ অঞ্চল য'ত ৰাজ্যখনৰ প্ৰায় ৮৫ শতাংশ লােকে বাস কৰে । ২০১১ বৰ্ষৰ লােকপিয়লৰ তথ্য অনুসৰি অঞ্চলটোত জনসংখ্যা ঘনত্ব হ'ল প্ৰতি বৰ্গ কিঃমিত ১৫০২ জন ।

অঞ্চলটোত জনসংখ্যা ঘনত্ব অধিক হােৱাৰ মূলতে হ'ল ইয়াৰ অনকূল জলবায়ু , সমতল ভূ – অৱয়ৱ , সুচল পৰিবহণ তথা যােগাযােগ ব্যৱস্থাৰ সুবিধা , যথেষ্ট সংখ্যক নদীৰ উপস্থিতি আদি ।

***ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চলটোক আকৌ নিম্নোল্লিখিত অঞ্চলসমূহত ভাগ কৰা হৈছেঃ***

( i ) **উজনি বহ্মপুত্ৰ উপত্যকা অঞ্চল :-** ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় ২১ শতাংশ জনসংখ্যাই উজনি ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চলত বাস কৰে আৰু ইয়াত জনসংখ্যা ঘনত্ব হ'ল প্ৰতি বৰ্গ কিঃমিঃত ৩৭২ জন ।

( ii ) **মধ্য ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল :-** ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুঠ জনসংখ্যাৰ ২৭ শতাংশ জনসংখ্যাই মধ্য ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চলত বাস কৰে । এই অঞ্চলটোৰ জনসংখ্যা ঘনত্ব হ'ল প্ৰতি বৰ্গ কিঃমিঃত ৫০০ জন ।

( iii ) **নামনি ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল :-** নামনি ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চলতে জনসংখ্যা সৰ্বাধিক পুঞ্জীভৱণ হােৱা দেখা যায় । ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুঠ জনসংখ্যা প্ৰায় ৩৬ শতাংশ লােকে ইয়াত বাস কৰে আৰু ইয়াত জনসংখ্যা ঘনত্ব হৈছে প্ৰতি বৰ্গ কিঃ মিঃত ৬৩১ জন ।

( খ ) **বৰাক উপত্যকা অঞ্চল :-** ২০১১ বৰ্ষৰ লােকপিয়লৰ তথ্য মতে ৰাজ্যখনৰ মুঠ জনসংখ্যা প্ৰায় ১১ শতাংশ লােকে এই অঞ্চলটোত বাস কৰে । ২০১১ বৰ্ষৰ তথ্য মতে এই অঞ্চলটোত জনসংখ্যা ঘনত্ব হ'ল প্ৰতি বৰ্গ কিঃমিঃত ৫৪৫ জন ।

অঞ্চলটোত জনসংখ্যা ঘনত্ব অধিক হােৱাৰ প্ৰধান কাৰণসমূহ হ'ল ইয়াৰ অনুকূল জলবায়ু সাৰুৱা পলসুৱা মাটি , সুচল পৰিবহণ তথা যােগাযােগ ব্যৱস্থা আদি ।

( গ ) **পাৰ্বত্য অঞ্চল :-** এই অঞ্চলটো ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মাজত অৱস্থিত কাৰ্বি আংলং আৰু ডিমা হাছাও নামৰ দুখন পাহাৰীয়া জিলাৰে গঠিত।ৰাজ্যখনৰ মুঠ জনসংখ্যা প্ৰায় প্ৰায় ৩.৭৫ শতাংশ লােকে ইয়াত বাস কৰে ইয়াত জনসংখ্যা ঘনত্ব হৈছেপ্ৰতি বৰ্গ কিঃমিঃত ৬৮ জন ।

অঞ্চলটোত জনসংখ্যা ঘনত্ব কম হোৱাৰ প্ৰধান কাৰণ হ’ল ইয়াৰ প্ৰতিকূল ভূপ্ৰাকৃতিক অৱস্থা ।

**৬। অসমৰ জনসংখ্যা বিতৰণৰ ভিন্নতাৰ কাৰণবোৰ উদাহৰণসহ চমুকৈ আলোচনা কৰা ।**

**উত্তৰঃ** ২০১১ বৰ্ষৰ লোকপিয়লৰ তথ্য অনুসৰি অসমৰ মুঠ জনসংখ্যা হৈছে ৩১ নিযুত আৰু ইয়াৰ জনসংখ্যা ঘনত্ব হ’ল প্ৰতি বৰ্গ কিঃমিঃত ৩৯৮ জন । এই জনসংখ্যা প্ৰায় ৮৫ শতাংশ লোকে ব্ৰহ্মপুত্ৰ উপত্যকাত আৰু ১১ শতাংশ লোকে বৰাক উপত্যকা অঞ্চলত বাস কৰে ।

আনহাতে ৰাজ্যখনৰ বাকী ৩.৭৫ শতাংশ লোকে কাৰ্বি আংলং আৰু ডিমা হাছাও জিলা দুখনেৰে গঠিত পাৰ্বত্য বা পাহাৰীয়া অঞ্চলটোত বাস কৰে । ৰাজ্যখনৰ অঞ্চলভেদে জনসংখ্যা ঘনত্বৰ মাজত যথেষ্ট তাৰতম্য দেখা যায় ।

ব্ৰহ্মপুত্ৰ উপত্যকাত জনসংখ্যা ঘনত্ব প্ৰতি বৰ্গ কিঃমিঃত ১৫০২ জন হোৱাৰ বিপৰীতে বৰাক উপত্যকাত হ’ল প্ৰতি বৰ্গ কিঃমিঃত ৫৪৫ জন আৰু পাৰ্বত্য অঞ্চলত প্ৰতি বৰ্গ কিঃমিঃত ৬৮ জন । এইদৰে অসমৰ জনসংখ্যাৰ বিতৰণৰ ক্ষেত্ৰত যথেষ্ট ভিন্নতা দেখা পাওঁ । এই ভিন্নতাৰ বাবে দায়ী প্ৰধান **কাৰকসমূহ হ’ল :-**

( ক ) জলবায়ুৰ ক্ষেত্ৰত থকা ভিন্নতা ।

( খ ) ভূ – প্ৰাকৃতিক তাৰতম্যতা ।

( গ ) অঞ্চলসমূহৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত থকা ভিন্নতা ।

( ঘ ) পৰিবহণ তথা যোগাযোগ ব্যৱস্থাৰ বিকাশৰ ক্ষেত্ৰত থকা ভিন্নতা ।

( ঙ ) বিভিন্ন সম্পদৰ উপলব্ধতাৰ ক্ষেত্ৰত থকা ভিন্নতা ।

ব্ৰহ্মপুত্ৰ উপত্যকাত সমতল ভূমি , সাৰুৱা মাটি , সুচল কৃষিকাৰ্য আৰু যাতায়াত ব্যৱস্থাৰ বাবে ইয়াত জনসংখ্যাৰ ঘনত্ব অধিক ।

একে জনসংখ্যা ঘনত্ব অধিক হোৱা দেখা যায়।ইয়াৰ বিপৰীতে কিন্তু অনুপযুক্ত ভূ – অৱয়ৱ তথা ভূ – প্ৰাকৃতিক অৱস্থাৰ বাবে ডিমা হাছাও আৰু কাৰ্বি আংলং জিলা দুখনেৰে গঠিত পাৰ্বত্য অঞ্চলটোত জনবসতিৰ উপস্থিতি তেনেই সেৰেঙা হোৱা দেখা যায় ।

২০১১ বৰ্ষৰ লাে কপিয়লৰ তথ্যমতে কামৰূপ ( মহানগৰ ) জিলাত প্ৰতি বৰ্গ কিঃমিঃত ২,০১০ জনেৰে জনসংখ্যা ঘনত্ব ৰাজ্যখনৰ ভিতৰত সৰ্বাধিক হাে ৱাৰ বিপৰীতে প্ৰতি বৰ্গ কিঃমিঃত মাত্ৰ ৪৪ জন লাে কেৰে ডিমা হাছাও জিলাত জনসংখ্যা ঘনত্ব আছিল সৰ্বনিম্ন , যিটোৱে দেখুৱায় যে উত্তম সা – সুবিধা আৰু সুযাে গে অধিক লাে কক আকৰ্ষণ কৰে আৰু প্ৰতিকূল ভূ – প্ৰাকৃতিক অৱস্থাৰ পিছপৰা অঞ্চলসমূহে মানৱ বসতি প্ৰতিৰাে ধ কৰে ।

**৭। ২০১১ চনৰ তথ্য মতে অসমৰ জিলাসমূহৰ ভিতৰত আটাইতকৈ বেছি জনসংখ্যা আৰু জনসংখ্যা ঘনত্ব থকা আৰু আটাইতকৈ কম জনসংখ্যা আৰু জনসংখ্যা ঘনত্ব থকা জিলাখনৰ নাম উল্লেখ কৰা ।**

**উত্তৰঃ** ২০১১ চনৰ লাে কপিয়লৰ তথ্য মতে ২, ৮২৬,০০৬ জন লাে কে বসবাস কৰা নগাঁও জিলা অসমৰ সৰ্বাধিক জনসংখ্যাৰ জিলা হাে ৱাৰ বিপৰীতে ২,১৩,৫২৯ জন লাে কে বসবাস কৰা ডিমা হাছাও জিলা হৈছে অসমৰ ভিতৰত সৰ্বনিম্ন জনসংখ্যাৰ জিলা ।

আনহাতে , প্ৰতি বৰ্গ কিঃ মিঃত ২,০১০ জন লাে কে বসবাস কৰা কামৰূপ ( মহানগৰ ) জিলা অসমৰ সৰ্বাধিক জনসংখ্যা ঘনত্ব থকা জিলা হাে ৱাৰ বিপৰীতে প্ৰতি বৰ্গ কিঃ মিঃত ৪৪ জন লাে কে বসবাস কৰা ডিমা হাছাও জিলা হৈছে অসমৰ সৰ্বনিম্ন জনসংখ্যা ঘনত্ব থকা জিলা ।

**৮। অসমৰ জনসংখ্যা বৃদ্ধিৰ কাৰণবাে ৰ চমুকৈ আলাে চনা কৰা ।**

**উত্তৰঃ** অসমৰ জনসংখ্যা বৃদ্ধিৰ বাবে দায়ী কাৰণসমূহ হলঃ

( ক ) **প্ৰাকৃতিক কাৰণ :-** প্ৰাকৃতিক কাৰণ বুলি ক'লে মৃত্যুৰ হাৰ'হ্ৰাস হাে ৱা আৰু জন্মৰ হাৰ বৃদ্ধি হাে ৱাকে বুজা যায় । যাে ৱা কেইটামান দশকৰ সময়ছাে ৱাত সু – চিকিৎসা ব্যৱস্থাৰ উপলব্ধতা , জীৱন ধাৰণৰ মানদণ্ডৰ ক্ষেত্ৰত হাে ৱা বিকাশ আৰু অৰ্থনৈতিক বিকাশৰ বাবে ৰাজ্যখনত মৃত্যুৰ হাৰ হ্ৰাস হাে ৱাৰ লগতে জন্মৰ হাৰ বৃদ্ধি পাইছে ।

ৰাজ্যখনৰ এই জন্ম আৰু মৃত্যুৰ হাৰ ভাৰতৰ জন্ম – মৃত্যুৰ হাৰৰ সৈতে প্ৰায় সমান ।

( খ ) **জনপ্ৰব্ৰজন :-** অসমৰ জনসংখ্যাৰ অবাধ বৃদ্ধিৰ বাবে দায়ী প্ৰধান কাৰণটো হ'ল ৰাজ্যখনলৈ হাে ৱা জনপ্ৰব্ৰজন । ১৮২৬ চনৰ পৰাই ৰাজ্যখনলৈ প্ৰব্ৰজন ঘটিছিল যদিও ১৯ শতিকাৰ আদিভাগৰ পৰাহে এই প্ৰব্ৰজনৰ সোঁত অধিক সক্ৰিয় হৈ পৰিছিল । দেশ

বিভাজনৰ সময়ছোৰাত পূৰ্ব পাকিস্তানৰ পৰা বৃহৎ সংখ্যক হিন্দু শৰণাৰ্থীৰ অসমলৈ প্ৰব্ৰজন ঘটিছিল ।

১৯৫১ চনৰ পৰা ২০০১ চনলৈ বাংলাদেশৰ পৰা ৰাজ্যখনলৈ অবাধ জনপ্ৰব্ৰজন ঘটিছিল । এই সময়ছোৰাত ভাৰতৰ ১৮৫ শতাংশ জনসংখ্যা বৃদ্ধিৰ হাৰৰ বিপৰীতে অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল ২৩২ শতাংশ । অৱশ্যে শেহতীয়া বৰ্ষসমূহত এই বৃদ্ধি কিছু পৰিমাণে হ্ৰাস হৈছে ।

**৯। অসমলৈ প্ৰাচীন কালৰ পৰা বৰ্তমান সময়লৈকে হোৰা জনপ্ৰব্ৰজনৰ সোঁতবোৰ একাদিক্ৰমে উল্লেখ কৰা ।**

**উত্তৰঃ** প্ৰাচীন কালৰ পৰা বৰ্তমান সময়লৈকে অসমলৈ বিভিন্ন সময়ত বিভিন্ন জনগোষ্ঠীৰ প্ৰব্ৰজন ঘটিছিল । এইদৰে সময়ে সময়ে অসমলৈ হোৰা জন প্ৰব্ৰজনৰ আঁতবোৰ একাদিক্ৰমে তলত উল্লেখ কৰা হ'ল :

( ক ) **অষ্ট্ৰিক জনগোষ্ঠী :-** অসমলৈ জনপ্ৰব্ৰজন ঘটা প্ৰথমটো জনস্ৰোত আছিল অষ্ট্ৰিক জনগোষ্ঠীৰ লোকসকল । সম্ভৱতঃ তেওঁলোক দক্ষিণ – পূৰ্ব এছিয়াৰ পৰা আহিছিল।বৰ্তমান মেঘালয় ( ১৯৭০ চনত অসমৰ পৰা পৃথক হৈ যোৰা ৰাজ্য ) ত বসবাস কৰা খাছীয়া আৰু জয়ন্তীয়াসকল এইজনগোষ্ঠীৰ লোক ।

এই জনগোষ্ঠীৰ লোকসকলৰ কিছুসংখ্যক মেঘালয়ৰ সীমামূৰীয়া অসমৰ কাৰ্বি আংলং আৰু ডিমা হাছাও জিলাত বসবাস কৰা দেখা যায় । কাছাৰ জিলাৰ জয়ন্তীয়ালোক সকলো এই জনগোষ্ঠীৰে লোক ।

( খ ) **মংগোলীয় জনগোষ্ঠী :-** অসমলৈ আগমন ঘটা দ্বিতীয়টো জনস্ৰোত তিব্বতীয়া বৰ্মন ভাষা কোৱা মংগোলীয় জনগোষ্ঠীৰ লোকসকল। তেওঁলোক মধ্য এছিয়াৰ পৰা হিমালয় অতিক্ৰম কৰি অসমলৈ আহিছিল আৰু অসমৰ বিভিন্ন অংশত থিতাপি লৈছিল।

খাছীয়া আৰু জয়ন্তীয়াসকলক বাদ দি অসমত বৰ্তমান সময়তবসবাস কৰাসকলোবোৰ জনজাতি এই জনগোষ্ঠীৰ অন্তৰ্গত ।

এই জনগোষ্ঠীৰ অন্তৰ্গত প্ৰধান জনজাতিসমূহ হৈছে সমতল বা ভৈয়ামত বাস কৰা বড়ো , মিছিং , ৰাভা , তিৱা , দেউৰী , সোণোৰাল , কছাৰী , মেছ , কাছাৰৰ বৰ্মনসকল আৰু পাহাৰত বাস কৰা কাৰ্বি , ডিমাছা কছাৰী , গাৰ , কুকি , মাৰ , হাজং , ৰেংমা নাগা আৰু জেমি নাগাসকল ।

( গ ) **আৰ্যসকল :-** মংগোলীয়সকলৰ পিছত অসমলৈ প্ৰব্ৰজন ঘটা জনস্ৰোতটো আছিল সিন্ধু – আৰ্য ভাষা কোৱা লোকসকল । এই আৰ্যসকল ককেছীয় জনগোষ্ঠীৰ অন্তৰ্গত লোক । পোন প্ৰথমতে স্থানীয় ৰজা বা শাসকসকলৰ নিমন্ত্ৰণক্ৰমে অসমলৈ আহিছিল ।

পিছলৈ তেওঁলোকৰ বহুতেই নিজে নিজে আৰু অন্য কিছুমানে ৰাজ্যখনৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ অৰ্থনৈতিক সম্ভাৱনাসমূহৰ দ্বাৰা আকৰ্ষিত হৈ অসমলৈ আহিছিল । অসমত বসবাস কৰা অজনজাতীয় লোকৰ সৰহসংখ্যক লোকেই এইজনগোষ্ঠীৰ অন্তৰ্গত।

( ঘ ) **মুছলমান সৈন্যসকল :-** ১৩ শতিকাৰ আদি ভাগত সিন্ধু – আৰ্য জনগোষ্ঠীৰ অন্তৰ্গত সৈন্যসকলৰ এটা মুছলমান ধৰ্মাৱলম্বী গোটে কুটুবুদ্দিনৰ এগৰাকী মুছলমান সেনাপতি মহম্মদ বিন বখতিয়াৰ খিলীজিৰ নেতৃত্বত তিব্বত জয় কৰিবলৈ যোৱাৰ পথত অসমত প্ৰৱেশ কৰি অসম আক্ৰমণ কৰিছিল ।

ইয়াৰ পৰৱৰ্তী বছৰসমূহত , উত্তৰ ভাৰতৰ মোগল ৰজাসকলৰ পৃষ্ঠপোষকতাত মুছলমান সেনাপতিসকলে কেইবা বাৰো অসম অভিযান কৰিছিল । এই সৈন্যসকলৰ কিছুমানে স্বেচ্ছাই ইয়াত থাকি গৈছিল , কিছুমান বন্দীৰূপে আৰু অন্য কিছুমান স্থানীয় ৰজা আৰু স্থানীয় লোকৰ বিভিন্ন কামৰ প্ৰয়োজন নিয়োজিত হৈ ৰৈ গৈছিল ।

পিছলৈ এই ক্ষুদ্ৰ মুছলমান জনবসতিৰ বৃদ্ধি হৈ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত এক বৃহৎ মুছলমান সমাজ প্ৰতিষ্ঠা হৈছিল ।

( ঙ ) **আহোমসকল :-** মুছলমান সৈন্যসকলৰ পিছত অসমলৈ আগমন ঘটা পৰৱৰ্তী জনস্ৰোতটো আছিল আহোমসকল । আহোমসকলেই অসমলৈ ব্ৰজিত হোৱা সবাতোকৈ গুৰুত্বপূৰ্ণজনগোষ্ঠী । আহোমসকল মূলতঃ মংগোলীয় জনগোষ্ঠীৰ । আহোম সকলৰ মুলতঃ মংগোলীয় জনগোষ্ঠীৰ লোক ।

তেওঁলোক ১২২৮ খ্ৰীঃত চুকাফাৰ নেতৃত্বত উত্তৰ ম্যানমাৰৰ চান মালভূমিৰ পৰা পাটকাই পৰ্বত পাৰ হৈ অসমলৈ আহিছিল । পোন প্ৰথমতে তেওঁলোকে উজনি অসমত বসতি স্থাপন কৰিছিল আৰু তাতেই আহোম ৰাজ্য প্ৰতিষ্ঠা কৰিছিল । পৰৱৰ্তী সময়ত তেওঁলোকে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাকে নিজৰ নিয়ন্ত্ৰণাধীন কৰিছিল।

আহোমসকলে প্ৰায় ৬০০ বছৰ অসমত ৰাজত্ব কৰিছিল আৰু অসমৰ সমাজ – সংস্কৃতিলৈ বৃহভাৱে অৱদান আগবঢ়াইছিল । বৰ্তমান সময়ত উজনি আৰু মধ্য অসমত আহোম জনবসতি পৰিলক্ষিত হয় ।

( চ ) **ব্ৰিটিছ্শাসনৰ সময়ত হোৱা জনপ্ৰব্ৰজন :-** ব্ৰিটিছে ১৮২৬ খ্ৰীঃত অসম অধিকাৰ কৰিছিল । অসম অধিকাৰ কৰাৰ পিছত তেওঁলোকক প্ৰশাসনীয় , অৰ্থনৈতিক আৰু বাণিজ্যিক কাৰ্যকলাপ সমূহ চলাবলৈ কিছুমান শিক্ষিত তথা দক্ষতাসম্পন্ন ব্যক্তিৰ প্ৰয়োজন হৈছিল ।

সেয়েহে ব্ৰিটিছসকলে তেওঁলোকৰ হৈ কাম কৰিবলৈ বংগ , বিহাৰ , উত্তৰ প্ৰদেশ , ৰাজস্থান , নেপাল আদি ঠাইৰ পৰা শিক্ষিত লোকক অসমলৈ আনিছিল । পৰৱৰ্তী সময়ত ব্ৰিটিছসকলে অসমত চাহখেতি আৰম্ভ কৰাত তেওঁলোকে মধ্য ভাৰতৰ ছোটানাগপুৰ মালভূমি অঞ্চলৰ পৰা এই চাহ বাগিছাসমূহত কাম কৰিবলৈ জনজাতীয় লোককিছুমানক অসমলৈ আনিছিল।

( ছ ) **বাংলাদেশৰ পৰা হোৱা জনপ্ৰব্ৰজন :-** ১৯ শতিকাৰ শেষৰ দশকৰ পৰা স্বাধীনতাৰ আগলৈকে পূৰ্বৰ পূব বংগ ( বৰ্তমান বাংলাদেশ ) ৰ পৰা ভূমিহীন মুছলমানসকলৰ অসমলৈ প্ৰব্ৰজন ঘটিছিল । ১৯৪৭ চনৰ আগষ্টৰ পিছত নতুনকৈ সৃষ্টি হোৱা পূৰ্ব পাকিস্তানৰ পৰা বহুতো হিন্দু শৰণাৰ্থীৰ অসমলৈ ব্ৰজন হৈছিল ।

ইয়াৰে মুছলমান কৃষকসকলে সাৰুৱা সমতল ভূমিত থিতাপি লোৱাৰ বিপৰীতে হিন্দু প্ৰব্ৰজনকাৰীসকলে ব্যৱসায় বাণিজ্যৰ সুবিধা থকা অঞ্চলসমূহত থিতাপি লৈছিল । অসমত অধিক সুযোগ – সুবিধা লাভ কৰাৰ ফলস্বৰূপেই আজিলৈকে বাংলাদেশৰ পৰা অসমলৈ জনপ্ৰব্ৰজন সংঘটিত হৈয়ে আছে ।

( জ ) **আন্তঃৰাজ্যিক জনপ্ৰব্ৰজন :-** অৰ্থনৈতিক , সামাজিক তথা শৈক্ষিক আদি বিভিন্ন কাৰণত ভাৰতৰ বিভিন্ন ৰাজ্যসমূহৰ পৰাও অসমলৈ বহুতো লোকৰ প্ৰব্ৰজন ঘটিছে । এই লোকসকলৰ প্ৰধানকৈ ৰাজস্থান , পঞ্জাব , পশ্চিমবংগ , মণিপুৰ আদি ৰাজ্যৰ পৰা আগমন ঘটিছে ।

**১০। অসমৰ আহোমসকলৰ জনগোষ্ঠীয় পৰিচয়দাঙি ধৰা ।**

**উত্তৰঃ** ১৩ শতিকাত আহোমসকলৰ অসমলৈ আগমন ঘটিছিল । তেওঁলোক মংগোলীয় জনগোষ্ঠীৰ অন্তৰ্গত । ১২২৮ খ্ৰীঃত চুকাফাৰ নেতৃত্বত তেওঁলোকে আহি অসমত উপস্থিত হৈছিল । তেওঁলোকে উত্তৰ ম্যানমাৰৰ চান মালভূমি অঞ্চলৰ পৰা পাটকাই পৰ্বত পাৰ হৈ অসমত প্ৰৱেশ কৰিছিল ।

তেওঁলোকে নিজকে উজনি অসমত প্ৰতিষ্ঠা কৰিছিল আৰু পৰৱৰ্তী সময়ত সমগ্ৰ অসমৰাজ্য জয় কৰিছিল । আহোমসকলে প্ৰায় ৬০০ বছৰ কাল অসম শাসন কৰিছিল আৰু অসমৰ সমাজ সংস্কৃতিলৈ যথেষ্ট অৰদান আগবঢ়াই থৈ গৈছিল । তেওঁলোকে

ৰাজ্যখনৰ লাোক ধৰ্মীয় , সামাজিক , সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিচয়ক বৃহৎভাৱে প্ৰভাৱান্বিত কৰিছিল ।

অসমৰ তিনিচুকীয়া , ডিব্ৰুগড় , শিৱসাগৰ , যাোৰহাট , গাোলাঘাট , লখিমপুৰ , ধুবুৰী , মৰিগাঁও , নগাঁও আৰু শোণিতপুৰ জিলাত এই জনগাোষ্ঠীৰ লাোকসকলে বাস কৰা দেখা যায় ।

**১১। পৰিবহণ ব্যৱস্থাই অসমৰ অৰ্থনৈতিক উন্নতিত কিদৰে সহায় কৰিছেচমুকৈ আলাোচনা কৰা ।**

**উত্তৰঃ** পৰিবহণ ব্যৱস্থা হৈছে দেশ বা অঞ্চল এটাৰ অৰ্থনৈতিক উন্নয়নৰ এটা গুৰুত্বপূৰ্ণ কাৰক । ই প্ৰধানকৈ দেশ এখনৰ বিভিন্ন অংশসমূহৰ মাজত সংযাোগ স্থাপন কৰাৰ লগতে যাোগাযাোগ ব্যৱস্থা উন্নত কৰি তাোলে । এই সম্পদসমূহৰ বিনিময়ৰ লগতে জ্ঞান , সংস্কৃতি তথা সভ্যতাৰ আদান – প্ৰদানত সহায় কৰে ।

সেয়েহে , ৰেলপথ , জলপথ , বাট – পথ আৰু আকাশী পথেৰে গঠিত দক্ষ যাতায়ত বা পৰিবহণ ব্যৱস্থা হৈছে দেশ এখনৰ জীৱন ৰেখা । কৃষি , উদ্যোগ , ব্যৱসায় বাণিজ্য , যাোগাযাোগ আদিৰ দৰে অৰ্থনৈতিক খণ্ডসমূহৰ বিকাশ নিৰ্ভৰ কৰে দক্ষ পৰিবহণ ব্যৱস্থাৰ ওপৰত । অসমৰ দৰে ৰাজ্য এখনৰ ক্ষেত্ৰত ই একেবাৰে সত্য কথা ।

অসম ৰাজ্যখন সৌভাগ্যশালী বুলি অভিহিত কৰিব পৰাৰ কাৰণ এয়ে যে ইয়াত বিস্তৃত ভূমি , অসংখ্য নদনদী , সমতল ভূ – অৱয়ৱ , চহকীসম্পদ , অত্যধিক মানৱ সম্ভাৱনা আদিৰ দৰে বহুতাো গুৰুত্বপূৰ্ণ সম্পদৰ উপস্থিতি দেখা যায় । এই সকলাোবাোৰ সম্পদক কেৱল দক্ষ পৰিবহণ ব্যৱস্থাৰ সহায়তহে বিকশিত কৰিব পৰা যায় ।

অসমক উত্তৰ পূবৰ অন্য ৰাজ্যসমূহৰ প্ৰৱেশদ্বাৰ হিচাপে গণ্য কৰা হয় । সেয়েহে , সমগ্ৰ উত্তৰ – পূবৰ উন্নয়ন অসমৰ পৰিবহণ ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে । এই ৰাজ্যসমূহৰ অৰ্থনীতিত প্ৰয়াোজন হাোৱা বিভিন্ন দ্ৰব্যসমূহ পৰিবহণ ব্যৱস্থাৰ বিভিন্ন মাধ্যমেৰে অসমৰ মাজেৰে পৰিবাহিত হয় ।

এইটোৱে ৰাজ্যখনৰ অৰ্থনীতি অধিকভাৱে বৃদ্ধি কৰিছে । অসম ভাৰতৰ পূৰ্ব কোণত অৱস্থিত । এই ৰাজ্যখনক পৰিবহণ ব্যৱস্থাইহে ভাৰতবৰ্ষৰ অন্য অংশৰ সৈতে সংলগ্ন কৰিছে । ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ বাবে প্ৰয়াোজন হাোৱা যথেষ্ট সংখ্যক আৰ্থিক সামগ্ৰী ৰাজ্যখনৰ বাহিৰৰ পৰা আমদানি কৰিবলগীয়া হয় ।

আনহাতে চাহপাত , খাৰুৱা তেল , প্ৰাকৃতিক গেছ , চূণশিল আদি স্থানীয়ভাৱে উৎপাদিত দ্ৰব্যসমূহ ৰাজ্যৰ বাহিৰলৈ ৰপ্তানি কৰিবলগীয়া হয় , যিবাোৰ কেৱল দক্ষ পৰিবহণ ব্যৱস্থাৰ মাধ্যমেৰেহে সম্পন্ন হয় । অন্যাৰ্থত , অসমৰ অৰ্থনৈতিক উন্নয়ন সাধনৰ ক্ষেত্ৰত পৰিবহণ ব্যৱস্থাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

**১২। অসমৰ জল পৰিবহণৰ বিষয়ে এটি চমুটোকা লিখা ।**

**উত্তৰঃ** অসমৰ জল পৰিবহণ ব্যৱস্থা মূলতঃ আভ্যন্তৰীণ জল পৰিবহণ ব্যৱস্থা । ভাৰতৰ মুঠ জল সম্পদৰ ৩২ শতাংশ জল সম্পদৰ অধিকাৰী ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ লগতে ইয়াৰ অসংখ্য উপনৈ মিলি বিস্তৃত জলপথ সৃষ্টি কৰিছে ।

১৯৮৮ চনত শদিয়াৰ পৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰৰ ৮৯১ কিঃমিঃ নাব্য জলপথক দেশৰ দ্বিতীয়টো ৰাষ্ট্ৰীয় জলপথ বুলি ঘাোষণা কৰা হৈছে । আনহাতে ২০১৩ চনত বৰাক নদীৰ ১২১ কিঃমিঃ নাব্য জলপথক ষষ্ঠটো ৰাষ্ট্ৰীয় জলপথ বুলি ঘাোষণা কৰা হৈছে । এই জলপথ দুটাই সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক উন্নয়নত অৰিহণা যাোগাই আহিছে ।

অসমৰ এই আভ্যন্তৰীণ জলপথ দুটাৰ উন্নয়নৰ কাৰণে কেন্দ্ৰীয় আভ্যন্তৰীণ জল পৰিবহণ নিগম আৰু আভ্যন্তৰীণ জল পৰিবহণ সঞ্চালকালয় নামৰ দুটা সংস্থাই চোৱা – চিতাৰ দায়িত্ব লৈছে ।

***অসমৰ আভ্যন্তৰীণ জল পৰিবহণ ব্যৱস্থাৰ স্থল পৰিবহণ ব্যৱস্থাৰ তুলনাত নিম্নোক্ত সুবিধাসমূহ উপলব্ধ :***

( ক ) ইন্ধনৰ কম খৰচ ।

( খ ) বায়ু প্ৰদূষণৰ সমস্যা নাথাকে ।

( গ ) স্থলপথৰ অনুন্নত অঞ্চলত যথেষ্ট সংখ্যক যাত্ৰী পাোৱা যায় ।

( ঘ ) প্ৰাকৃতিক দুৰ্যোগৰ সময়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে ।

( ঙ ) ৰাস্তা নিৰ্মাণ , মেৰামতি আদি সমস্যাবাোৰ নাথাকে ।

( চ ) বস্তু-বাহানি আৰু যাত্ৰী অতি সহজে চলাচল কৰিব পাৰে ।

**১৩। অসমৰ পৰিবহণ ব্যৱস্থাৰ উন্নয়নৰঅন্তৰায় হিচাপে দেখা দিয়া পাঁচটা প্ৰধান কাৰণ উল্লেখ কৰা ।**

**উত্তৰঃ** অসমত এক দক্ষ পৰিবহণ ব্যৱস্থা বিকাশৰ প্ৰবল সম্ভাৱনা আছে আৰু ইয়াৰ আৱশ্যকতাও যথেষ্ট । কিন্তু এই খণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত কিছুমান সমস্যাই প্ৰতিবন্ধকতা হিচাপে দেখা দিছে ।

***অসমৰ পৰিবহন ব্যৱস্থাৰ উন্নয়নৰ অন্তৰায় হিচাপে দেখা দিয়া কাৰণকেইটা তলত উল্লেখ কৰা হ'ল-***

( ক ) পাহাৰ , মালভূমি , সমভূমি , প্লাবন ভূমি , জলাশয় আদিৰে বৈশিষ্ট্যপূৰ্ণ অসমৰ ভিন্ন ভূ – প্ৰকৃতিৰ বাবে যাতায়ত ব্যৱস্থা সম্প্ৰসাৰণ কৰা ক্ষেত্ৰত যথেষ্ট অসুবিধা হয় ।

( খ ) অসমক ইয়াৰ পশ্চিমৰ ঠেক ভূখণ্ডৰ দ্বাৰা ভাৰতৰ লগত সংলগ্ন কৰা হৈছে বাবে পৰিবহণৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সৃষ্টি হয় ।

( গ ) বাট – পথ নিৰ্মাণ আৰু মেৰামতিৰ বাবে কিছুমান অঞ্চলৰ মাটিৰ গুণাগুণ উপযুক্ত নহয় । তদুপৰি , প্ৰচুৰ ৰষুণৰ বাবে বাট – পথ অতি সহজে নষ্ট হয় । বাট – পথ নিৰ্মাণত আধুনিক প্ৰযুক্তি আৰু কৌশল প্ৰয়াোগ নকৰাৰ ফলত অতি কম দিনৰ ভিতৰতে বাট – পথৰ শাোচনীয় অৱস্থা হয় ।

( ঘ ) ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত অসম পিছপৰি থকা বাবে ইয়াৰ পৰিবহণ ব্যৱস্থাটোও অনুন্নত হৈ আছে ।

( ঙ ) অসমৰ পৰ্যটন উদ্যোগৰ বিকাশত যথেষ্ট গুৰুত্ব নিদিয়া বাবে পৰিবহণ ব্যৱস্থাটোও উন্নত হাোৱা নাই ।

( চ ) অসম ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ক্ষেত্ৰত সফলতা অৰ্জন কৰিব পৰা নাই আৰু তাৰ লগে লগে পৰিবহণ ব্যৱস্থাও উন্নত হাোৱা নাই ।

( ছ ) উগ্ৰপন্থী সমস্যাৰ ফলত সৃষ্টি হাোৱা অস্থিৰতাৰ বাবে ৰাজ্যখনত দেশী আৰু বিদেশী বিনিয়াোগকাৰী হ্ৰাস হাোৱা বাবে ব্যৱসায় আৰু বাণিজ্যৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে । ইয়াৰ ফলত পৰিবহণ ব্যৱস্থাও বাধাগ্ৰস্ত হৈছে ।

( জ ) অসমৰ পৰিবহণ ব্যৱস্থাৰ প্ৰসাৰ সংখ্যাগতভাৱে হৈছে যদিও গুণগত দিশত ব্যৱস্থাটো সিমান আগবাঢ়িব পৰা নাই । লগতে গােটেই পৰিবহণ ব্যৱস্থাটোৰ কাৰ্যকৰী আৰু কাৰিকৰী দক্ষতাৰ অভাৱ পৰিলক্ষিত হৈছে ।

( ঝ ) পৰিবহণ ব্যৱস্থাৰ সামগ্ৰিক উন্নতিৰ বাবে পথ পৰিবহণ , জল পৰিবহণ , ৰে'ল পৰিবহণ আৰু বিমান পৰিবহণৰ মাজত যি এক সমন্বয়ৰ প্ৰয়ােজন সেই সমন্বয় অসমত দেখিবলৈ পােৱা নাযায় ।

( ঞ ) পৰিবহণৰ উন্নতি আৰু প্ৰসাৰৰ বাবে চৰকাৰী আঁচনিসমূহ সময়মতে আৰু সঠিকভাৱে ৰূপায়ণ নকৰা বাবে ইয়াৰ উন্নয়ন সম্ভৱ হৈ উঠা নাই ।

**১৪। সম্পদ বুলিলে কি বুজায় ? অসমৰ প্ৰধান প্ৰাকৃতিক সম্পদবােৰ কি কি ?**

**উত্তৰঃ** যিবােৰ দ্ৰব্যই প্ৰত্যক্ষভাৱে বা পৰােক্ষভাৱে মানুহৰ অভাৱ আৰু চাহিদা পূৰণ কৰে তাকে সম্পদ বুলি জনা যায় । আনহাতে, যিবােৰ সম্পদক প্ৰকৃতিয়ে প্ৰাকৃতিকভাৱে সৃষ্টি কৰে তাকে প্ৰাকৃতিক সম্পদ বােলে ।

***অসমৰ প্ৰাকৃতিক সম্পদসমূহ হলঃ***

( ক ) **ভূমি সম্পদ :-** অসমৰ ভূমিক বিভিন্ন ভাগত ভগাব পাৰি।ইয়াৰ ভিতৰত পলসুৱা মাটি অতি গুৰুত্বপূৰ্ণ সম্পদ। নতুন পলসূৱা মাটি ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ প্লাৱন ভূমি আৰু সমভূমি অঞ্চলবােৰত পােৱা যায় । এই মাটি ধান , মৰাপাট , মাহ আৰু শাক – পাচলিৰ খেতিৰ বাবে উপযােগী ।

পুৰণি পলসুৱা মাটি ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ সমভূমিৰ তুলনামূলকভাৱে ওখ অঞ্চলত পােৱা যায় । এই মাটি ধান,মৰাপাট,মাহ,আৰু শাক-পাচলি খেতিৰ বাবে উপযোগী ।

( খ ) **বনজ সম্পদ :-** জনসংখ্যা বৃদ্ধিৰ ফলত অসমৰ বনজ সম্পদ যথেষ্ট হ্ৰাস পাইছে যদিও অসম বনজ সম্পদত চহকী । সকলাে প্ৰকাৰৰ ক্ৰান্তীয় অৰণ্য ইয়াত পােৱা যায় যাক বিভিন্ন প্ৰকাৰৰ চৰাই আৰু জন্তুয়ে চহকী কৰিছে ।

ইয়াত মূল্যৱান ওখ ওখ গছ – গছনি যেনে – নাহৰ , চোম , শিৰীষ , আমাৰি , শিমলু ইত্যাদি আৰু চাপৰ গছ – গছনি আৰু ঘাঁহবন যেনে :- বাঁহ , বেত , তৰা , কৌপাত , টেকীয়া আদি পােৱা যায় । খৰি কাঠ , খেৰ , শাক – পাচলি , ফল – মূল , ঔষধি উদ্ভিদ ইত্যাদি এইবােৰৰ পৰাই আহৰণ কৰা হয় ।

সংৰক্ষিত বনাঞ্চলকে ধৰি অসমৰ হাবিত বিভিন্ন প্ৰকাৰৰ জন্তু যেনেঃ এশিঙীয়া গঁড় , হাতী , বাঘ , ভালুক , বনৰীয়া ম’হ , হৰিণ , বান্দৰ , বিভিন্ন প্ৰকাৰৰ সৰীসৃপ ইত্যাদি পাোৱা যায় ।

( গ ) **খনিজ সম্পদ :-** অসম খনিজ সম্পদত চহকী যদিও অসুবিধাজনক অৱস্থিতি আৰু প্ৰতিকূল অৱস্থাৰ বাবে ভালদৰে আহৰণ কৰিব পৰা নাই । অসমৰ উল্লেখযাোগ্য খনিজ সম্পদবাোৰ হ’ল কয়লা , খনিজ তেল , প্ৰাকৃতিক গেছ আৰু চূণশিল ।

উল্লেখযাোগ্য তৈল ক্ষেত্ৰসমূহ হ’ল ডিগবৈ , নাহৰকটীয়া , লাকুৱা , গেলেকী , হাোলা আৰু আমগুৰি । এই তৈল ক্ষেত্ৰসমূহত প্ৰাকৃতিক গেছ পাোৱা যায় । মাকুম , ডিলী – জয়পুৰ , চৰাইপুং – জান , কলিয়াজান , উমৰাংচু , গৰমপানী , শিঙিমাৰী অঞ্চলত কয়লা পাোৱা যায় ।

পাহাৰীয়া জিলাকাৰ্বি আংলং আৰু ডিমা হাছাও জিলাত চুণশিল পাোৱা যায় । অসমত পাোৱা আন আন খনিজ সম্পদসমূহ হ’ল লাোৰ আৰ , ফেলস্পাৰ , কোৱাৰ্টজ আৰু খনিজ মৃত্তিকা ।

( ঘ ) **জলজ সম্পদ :-** অসম পৃষ্ঠ জলসম্পদ আৰু ভূতল জলসম্পদ উভয়তে চহকী । ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী আৰু ইয়াৰ উপনৈ , প্ৰচুৰ পৰিমাণৰ বৃষ্টিপাত , লগতে বিল , জলাশয় , পিতনি , হ্ৰদ আদিৰ জলৰাশিয়ে দেশৰ প্ৰায় এক তৃতীয়াংশ জল সম্পদ বহনেৰে অসমক চহকী কৰিছে । বিভিন্ন ধৰণৰ মাছ আৰু জলজ উদ্ভিদ এই জলৰাশিত পাোৱা যায় ।

*১৫। অসমৰ প্ৰধান তৈলক্ষত্ৰসমূহ উল্লেখ কৰা।*

**উত্তৰঃ** ভাৰতবৰ্ষত পোন প্ৰথমে ডিগবৈত তৈলক্ষেত্ৰ আৱিষ্কাৰ আৰু বিকাশ সাধন কৰা হয় আৰু ই অসমত অৱস্থিত । ১৮৮৯ চনত এই তৈলক্ষেত্ৰত খনন কাৰ্য আৰম্ভ হয়। পিছলৈ নাহৰকটীয়া , মৰাণ , হুগ্ৰীজান , ৰুদ্ৰসাগৰ , লাকোৱা , গেলেকী , বৰহেলা আৰু আমগুৰি তৈলক্ষেত্ৰৰ পৰা তেল উৎপাদন কৰা হয় ।

**১৬। অসমৰ জলসম্পদৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** প্ৰচুৰ পৰিমাণৰ বৃষ্টিপাত , অসংখ্য উপনৈ , বৃহৎ পৰিমাণৰ জলাশয় আদিয়ে অসমৰ ভূ – তল জল আৰু পৃষ্ঠতল জল সম্পদ চহকী কৰিছে । অসমৰ প্ৰধান নদী দুখন ব্ৰহ্মপুত্ৰ আৰু বৰাকত যথেষ্ট পৰিমাণৰ জলসম্পদ পাোৱা হয় । দুয়াোখন নদী আৰু ইহঁতৰ উপনদীয়ে দেশৰ ভিতৰত এক তৃতীয়াংশ জলসম্পদ বহন কৰিছে ।

ইয়াৰ উপৰি সমগ্ৰ ৰাজ্যখনতে বহুতাে সৰু ডাঙৰ জলাহ আৰু পুখুৰী আছে । অসমত তিনি হাজাৰৰাে অধিক আৰ্দ্ৰভূমি আছে । এই জলাশয়বাােৰত বিভিন্ন প্ৰকাৰৰ মাছ অন্যান্য জলজ প্ৰাণী আৰু উদ্ভিদ পাােৱা যায় ।

এই নদ – নদীসমূহৰ জলৰাশি কৃষিকাৰ্যৰ লগতে ঘৰুৱা প্ৰয়াােজন আৰু ঔদ্যোগিক ক্ষেত্ৰত ব্যৱহাৰ কৰা হয় । এই নদীসমূহক ৰাজ্যৰ জল পৰিবহণ ব্যৱস্থাৰ কাৰণেও ব্যৱহাৰ কৰা হয়।ব্ৰহ্মপুত্ৰ আৰু ৰাক উপত্যকাতাে ভূ – তলীয় জল প্ৰচুৰ পৰিমাণে পাােৱা যায় ।

সমভূমি অঞ্চলত ভূ – তল জল ভূপৃষ্ঠৰ পৰা ৫ মিটাৰ গভীৰতাত পাােৱা যায় । এই জলভাগাে কৃষি , উদ্যোগ আৰু ঘৰুৱা প্ৰয়াােজনত ব্যৱহাৰ কৰা হয় । কিন্তু মন কৰিবলগীয়া কথা এয়ে যে অসমত প্ৰচুৰ পৃষ্ঠ জলসম্পদ আৰু ভূতল জলসম্পদ আছে যদিও ইয়াৰ উপযুক্ত ব্যৱহাৰ এতিয়াও হাােৱা নাই ।

**১৭। অসমৰ প্ৰাকৃতিক সম্পদসমূহৰ অৱক্ষয়ৰ কাৰণবাােৰ কি কি ?**

**উত্তৰঃ** সাধাৰণতে প্ৰাকৃতিক আৰু মানৱজনিত কাৰক উভয়ৰ বাবে প্ৰাকৃতিক সম্পদসমূহৰ অৱক্ষয় হয় । দুভাৰ্গ্যবশতঃ প্ৰাকৃতিক সম্পদত চহকী অসমত মানুহে জধে – মধে প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰাৰ ফলত ইয়াৰ অৱক্ষয় হৈছে ।

***ইয়াৰ প্ৰধান কাৰণসমূহ হ'ল :–***

( ক ) যাােৱা কেইটামান দশকত অসমৰ জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পাােৱাৰ ফলত মানুহৰ বসতি আৰু খাদ্য – শস্যৰ প্ৰয়াােজনীয়তা বৃদ্ধি পাইছে। ফলত হাবি-বননি পৰিষ্কাৰ কৰিব লগা হৈছে , জলাশয় পুতিব লগা হৈছে আৰু উৰ্বৰ কৃষিভূমি বসতিৰ কাৰণে ব্যৱহাৰ কৰিব লগা হৈছে ।

( খ ) অনুচিতভাৱে ভূমিৰ ব্যৱহাৰে ভূমি ক্ষয় , ভূমিৰ উৰ্বৰতা হ্ৰাস , আৰু ভূমি প্ৰদূষণ বৃদ্ধি কৰিছে ।

( গ ) খাদ্য – শস্যৰ বৰ্দ্ধিত উৎপাদনৰ কাৰণে হাবি – বননি আৰু আৰ্দ্ৰভূমিসমূহ চাফা কৰি খেতি – বাতিৰ কাৰণে ব্যৱহাৰ কৰা হৈছে।

( ঘ ) ৰাসায়নিক সাৰ প্ৰয়াােগৰ ফলত কৃষিভূমিৰ উৰ্বৰতা শক্তি ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে ।

( ঙ ) খনিজাত দ্ৰব্যসমূহ অবৈজ্ঞানিকভাৱে আহৰণ কৰি পৰিবহণ , উদ্যোগ আৰু শক্তিখণ্ডত অত্যধিক মাত্ৰাত ব্যৱহাৰ কৰাৰ ফলস্বৰূপে খনিজ সম্পদসমূহ ধ্বংসৰ মুখলৈ আগবাঢ়ি গৈ আছে ।

( চ ) অপৰিকল্পিত নগৰীকৰণ আৰু ঔদ্যোগিকৰণৰ ফলস্বৰূপে বায়ু , পানী আৰু ভূমি প্ৰদূষণ বৃদ্ধি কৰিছে ।

( ছ ) প্ৰাকৃতিক সম্পদৰ অসংগত ব্যৱহাৰে প্ৰাকৃতিক সম্পদৰ অৱক্ষয়ত উল্লেখযাোগ্য ভূমিকা পালন কৰে ।

**১৮। বৰ্ধিত জনসংখ্যাৰ প্ৰাকৃতিক সম্পদৰ ওপৰত কেনেদৰেপ্ৰভাৱ পেলাইছে ?**

**উত্তৰঃ** অসমত প্ৰচুৰ পৰিমাণে ভূমি সম্পদ , অৰণ্য সম্পদ , খনিজ সম্পদ আৰু জলসম্পদ পাোৱা যায় । কিন্তু বৰ্দ্ধিত হাৰত এই সম্পদসমূহৰ অৱক্ষয় হবলৈ ধৰিছে।ইয়াৰ প্ৰধান কাৰণটো হ'ল জনসংখ্যা বৃদ্ধিৰ ফলত হাোৱা প্ৰাকৃতিক পৰিৱেশৰ ওপৰত জনসংখ্যাৰ হেচা।

***বৰ্ধিত জনসংখ্যাই প্ৰাকৃতিক সম্পদৰ ওপৰত তলত দিয়া ধৰণে প্ৰভাৱ পেলাইছেঃ***

( ক ) বৰ্ধিত জনসংখ্যাৰ কাৰণে অধিক বাসভূমিৰ প্ৰয়াোজন হৈছে । এই প্ৰয়াোজন পূৰাবলৈ হাবি-বননি পৰিষ্কাৰ কৰি , আদ্ৰভূমিবাোৰ পুতিকৃষি ভূমিবাোৰত মানুহে বসতিস্থাপন কৰিবলৈ লাোৱাতপৰিৱেশৰ অৱক্ষয় হৈছে । ইয়াৰ ফলস্বৰূপে বনাঞ্চল , জলাশয় , আৰ্দ্ৰভূমি , কৃষিভূমি আদি মূল্যবান সম্পদবাোৰ হ্ৰাস পাই আহিছে ।

( খ ) জনসংখ্যা বৃদ্ধি মানেই খাদ্য – শস্যৰ উৎপাদন বৃদ্ধিৰ প্ৰয়াোজন । কৃষি ভূমিবাোৰ মানুহৰ বসতিৰ কাৰণে ব্যৱহাৰ হাোৱাত বনাঞ্চল আৰু আদ্ৰভূমিবাোৰ কৃষিৰ কাৰণে ব্যৱহাৰ কৰিবলগীয়া হৈছে । তদুপৰি , খেতিত ৰাসায়নিক সাৰ প্ৰয়াোগ কৰাত মাটিৰ উৰ্বৰতা শক্তি হ্ৰাস পাোৱাৰ লগতে ভূমি প্ৰদূষণ আদিৰ সৃষ্টি হৈছে ।

( গ ) বৰ্ধিত জনসংখ্যাই পৰিবহণ , উদ্যোগ আৰু শক্তি খণ্ডৰ সমান্তৰাল বিকাশ সূচায় যাৰফলত অনবীকৰণযাোগ্য খনিজ সম্পদসমূহৰ পৰিমাণ হ্ৰাস পাইছে । বায়ু , পানী আৰু ভূমি সম্পদবাোৰ প্ৰদূষিত হৈছে ।

**১৯। অসমৰ বৃহৎ জনসংখ্যা ৰাজ্যখনৰ বাোজা ( সমস্যা ) নে সম্পদ ? আলাোচনা কৰা ।**

**উত্তৰঃ** অসমৰ বৃহৎ জনসংখ্যা ৰাজ্যখনৰ বাবে বাােজা হৈ পৰাটো সত্য । কিন্তু এই বৃহৎ জনসংখ্যাক বাােজা হ'বলৈ নিদি সম্পদ হিচাপে গঢ়ি তুলাৰ সঠিক পদক্ষেপ গ্ৰহণ কৰিব লাগিব । ২০১১ চনৰ লাােকপিয়ল অনুসৰি অসমৰ জনসংখ্যা প্ৰায় ৬১ নিযুত । এয়া ভাৰতৰ মুঠ জনসংখ্যাৰ ২.৫৮ শতাংশ ।

অসমৰ প্ৰায় ৭৩ শতাংশ লাােক শিক্ষিত । আকৌ পুৰুষৰ শিক্ষিত হাৰ ৭৮ শতাংশ হাােৱাৰ বিপৰীতে মহিলাৰ শিক্ষিত হাৰ প্ৰায় ৬৭ শতাংশ । লক্ষ্যণীয় কথাটো এয়ে যে চীন দেশ বা জাপানৰ দৰে ভাৰত তথা অসমৰ জনসংখ্যা বয়ােবৃদ্ধ লাােকৰ দ্বাৰা ভাৰাক্ৰান্ত হাােৱা নাই ।

অসমৰ সৰ্বমুঠ জনসংখ্যাৰ ৩৫ শতাংশ লোক ১৫ বছৰৰ পৰা ৩৪ বছৰ বয়সৰ লাােক অৰ্থাৎ এনে লাােকৰ সংখ্যা ১০ নিযুতকৈ অধিক । এই যুৱ প্ৰজন্মৰ লাােকসকলৰ মাজত প্ৰৱল কৰ্মদক্ষতাৰ সম্ভাৱনা আছে ।

তেওঁলাােকক শিক্ষা – দীক্ষা , কাৰিকৰী দক্ষতা আদিৰ ক্ষেত্ৰত উপযুক্ত কৰি তাােলাৰ সমান্তৰালভাৱে সমাজৰ দুৰ্বল শ্ৰেণীৰ লাােক আৰু মহিলাসকলৰ ক্ষেত্ৰত সবলীকৰণৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব ।

এনে পদক্ষেপে মানৱ সম্পদ উন্নয়ন সম্ভৱ কৰি তুলিব । অৰ্থাৎ অসমৰ বৃহৎ জনসংখ্যা সম্প্ৰতি বাােজা হাােৱাৰ সত্ত্বেও কাৰ্যকৰী পৰিকল্পনা গ্ৰহণেৰে ইয়াক সম্পদত পৰিণত কৰাটো সম্ভৱ ।

**২০। অসমত মানৱ সম্পদ গঢ়িবলৈ কেনে পদক্ষেপ গ্ৰহণ কৰিব লাগে ?**

**উত্তৰঃ** অসমত মানৱ সম্পদ গঢ়াৰ কাৰণে লাােৱা পদক্ষেপসমূহ **হ'ল :**

( ক ) গ্ৰাম্যাঞ্চলত আৰু মহিলাসকলৰ মাজত শিক্ষাৰ প্ৰসাৰ ঘটোৱাৰ ব্যৱস্থা গ্ৰহণেৰে সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰিব লাগিব ।

( খ ) চৰকাৰে শিক্ষা সম্প্ৰসাৰণৰ বাবে অধিক পুঁজি আৱণ্টন কৰিব লাগে ।

( গ ) চৰকাৰে অধিক বৃত্তিমূলক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰা উচিত ।

( ঘ ) চৰকাৰে ব্যক্তি আৰু প্ৰতিষ্ঠানৰ সহযাোগত ৰাজ্যখনত যুৱচামৰ কাৰ্মসংস্থানৰ অৰ্হতা বৃদ্ধিৰ বাবে পাঠ্যক্ৰম আৰম্ভ কৰা উচিত যাতে তেওঁলাোকে শিক্ষাগত অৰ্হতা , বুদ্ধিমত্তা আৰু কাৰিকৰী জ্ঞান লাভ কৰিব পাৰে ।

( ঙ ) চৰকাৰে ৰাজ্যখনৰ সুদক্ষ যুৱচামক তেওঁলাোকৰ নিজাকৈ ব্যৱসায় আৰম্ভ কৰাৰ বাবে সমৰ্থন আগবঢ়াব লাগে ।

( চ ) ৰাজ্যখনৰ মেধাবী ল'ৰা – ছাোৱালীবাোৰক উচ্চশিক্ষাৰ বাবে উদগনি যাোগাব লাগে । তেওঁলাোকক অৰ্থনৈতিকভাবে এই ক্ষেত্ৰত সহায় – সহযাোগিতা আগবঢ়োৱা প্ৰয়াোজন ।

( ছ ) চৰকাৰে ৰাজ্যখনত অধিক কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু কাৰিকৰী প্ৰতিষ্ঠানৰ বাবে দাবী জনাব লাগে ।

( জ ) সমাজৰ পিছপৰা লোকসকল , বিশেষভাৱে সক্ষম ব্যক্তিসকল আৰু মহিলাসকলৰ সবলীকৰণৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ প্ৰয়াোজন ।

**২১। অসমৰ অৰ্থনীতিত কৃষিখণ্ডৰ ভূমিকা সম্পৰ্কে আলাোচনা কৰা ।**

**উত্তৰঃ** অসম এখন কৃষি প্ৰধান দেশ । ৰাজ্যখনৰ লাোকসকলৰ প্ৰধান জীৱিকা হ'ল কৃষি । ৭৫ শতাংশ লাোকে কৃষি কাৰ্যৰ দ্বাৰা জীৱিকা নিৰ্বাহ কৰে । অসমৰ অৰ্থনৈতিক ভেটি হৈছে কৃষি আৰু কৃষি খণ্ডই হৈছে অসমৰ অৰ্থনীতিৰ মূল চালিকা শক্তি ।

অসমৰ মুঠ কৰ্ম নিয়াোজিত লাোকৰ ভিতৰত ৫৩ শতাংশ লাোকেই প্ৰত্যক্ষ বা পৰাোক্ষভাৱে কৃষিৰ লগত জড়িত । অসমৰ উৎপন্ন শস্যৰ ভিত্ৰত চাহ , মৰাপাট , ৰবৰ আদিৰ ৰপ্তানি কৰি অধিক ৰাজহ উপাৰ্জন কৰা হয় । দেশৰ ভিতৰত ৫০ শতাংশ চাহ অসমতেই উৎপাদন কৰা হয় ।

ইয়ে অসমৰ অৰ্থনীতি বুজন সংখ্যক উপাৰ্জন আনি দিছে । অসমত কৃষিভিত্তিক উদ্যোগ কিছুমান যেনে – খাদ্য – সামগ্ৰী নিৰ্মাণকাৰী উদ্যোগ , চাহ – উদ্যোগ , কাগজ উদ্যোগ , চেনি উদ্যোগ , তৈলবীজ উদ্যোগ আদি সম্পূৰ্ণৰূপে কৃষিজাত সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল ।

এইদৰে কৃষি অসমৰ অৰ্থনীতিৰ এটা প্ৰধান স্তম্ভৰূপে দেখা যায় । ইয়ে অসমৰ অৰ্থনীতিৰ স্বচ্ছলতা আনি দিছে ।

**২২। অসমৰ কৃষি জলবায়ুবীয় অঞ্চলকেইটা কি কি ? এইকেইটাৰ বৈশিষ্ট্য চমুকৈ উল্লেখ কৰা।**

**উত্তৰঃ** অসমৰ কৃষি জলবায়ুবীয় অঞ্চলসমূহ পৃষ্ঠভূমিৰ বৈশিষ্ট্য , বৰষুণ আৰু উত্তাপৰ পৰিমাণ , মাটিৰ প্ৰকাৰ আদিৰ ওপৰত ভিত্তি কৰি ৬ ভাগত ভাগ কৰা হৈছে ।

***এই ভাগ ছয়টা তলত দিয়া ধৰণে ভাগ কৰা হৈছে:***

**কৃষি জলবায়ু অঞ্চল –**

( ক ) **নামনি ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল :-** ১। কামৰূপ , কামৰূপ ( মহানগৰ ) , নলবাৰী , বাক্সা , বৰপেটা , বঙাইগাঁও , চিৰাং , কোকৰাঝাৰ , ধুবুৰী আৰু গা েৱালপাৰা এই দহখন জিলা এই অঞ্চলৰ অন্তৰ্গত ।

২। মুঠ কৃষিভূমি হ'ল ৯.৩০ লাখ হেক্টৰ ।

৩। এটাতকৈ অধিক শস্যৰ খেতি কৰা কৃষিভূমিৰ পৰিমাণ হৈছে । ৪.৬৯ লাখ হেক্টৰ বা মুঠ কৃষিভূমিৰ ৫০.৪৫ শতাংশ ।

( খ ) **উত্তৰ পাৰৰ সমভূমি অঞ্চল :-** ১। দৰং , ওদালগুৰি , শা েণিতপুৰ , লখিমপুৰ আৰু ধেমাজি এই পাঁচখন জিলা এই অঞ্চলৰ অন্তৰ্গত ।

২। মুঠ কৃষিভূমি হ'ল ৫.৩৭ লাখ হেক্টৰ ।

৩। এটাতকৈ অধিক শস্যৰ খেতি কৰা কৃষিভূমিৰ পৰিমাণ হৈছে  ৩.৩৬ লাখ হেক্টৰ বা মুঠ কৃষিভূমিৰ ৬২.৫৭ শতাংশ ।

গ ) মধ্য ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল :- ১। নগাঁও আৰু মৰিগাঁও জিলাক আৱৰি আছে ।

২। মুঠ কৃষিভূমি হ'ল ৩.২৮ লাখ হেক্টৰ ।

৩। এটাতকৈ অধিক শস্যৰ খেতি কৰা কৃষিভূমিৰ পৰিমাণ হৈছে ০.৮৬ লাখ হেক্টৰ বা মুঠ কৃষিভূমিৰ ২৬.২১ শতাংশ ।

( ঘ ) **উজনিব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল :-** ১। তিনিচুকীয়া , ডিব্ৰুগড় , শিৱসাগৰ , যা েৰহাট আৰু গা েলাঘাট জিলা এই অঞ্চলৰ অন্তৰ্গত ।

২। মুঠ কৃষিভূমি ৬.২০ লাখ হেক্টৰ।

৩। এটাতকৈ অধিক শস্যৰ খেতি কৰা কষিভূমিহ’ল ১.৯৪ লাখ হেক্টৰ বা মুঠ কৃষিভূমিৰ ৩১.২৯ শতাংশ।

( ঙ ) **বৰাক উপত্যকা অঞ্চল :-** ১। কাছাৰ , কৰিমগঞ্জ আৰু হাইলাকান্দি জিলা এই অঞ্চলৰ অন্তৰ্গত।

২। মুঠ কৃষিভূমি ২.৪২ লাখ হেক্টৰ।

৩। এটাতকৈ অধিক শস্যৰ খেতি কৰা কৃষিভূমি হ’ল ১.০২ লাখ হেক্টৰ বা মুঠ কৃষিভূমিৰ ২.৫১ শতাংশ।

( চ ) **পাৰ্বত্য অঞ্চল :-** ১। কাৰ্বি আলং আৰু ডিমা হাচাও জিলা এই অঞ্চলৰ অন্তৰ্গত।

২। মুঠ কৃষিভূমি হ’ল ১.৫৪ লাখ হেক্টৰ।

৩। এটাতকৈ অধিক শস্যৰ খেতি কৰা কৃষিভূমি হ’ল ১.০১ লাখ হেক্টৰ বা মুঠ কৃষিভূমিৰ ৬৫.৫৮ শতাংশ।

**২৩। অসমত কি কি ধানৰ খেতি কৰা হয় ? এইকেইটাৰ বিষয়ে চমুকৈ লিখা।**

**উত্তৰঃ** অসমৰ প্ৰধান শস্য হ’ল ধান। ৰাজ্যখনৰ আটাইকেইটা কৃষি-বায়বীয় অঞ্চলতে ধান খেতি কৰা হয়। ২০১১-১২ চনৰ তথ্য তালিকা মতে অসমত মুঠ ২৫.৪৫ লাখ হেক্টৰ মাটিত ধান খেতি কৰা হৈছিল আৰু ৫০.৪৫ লাখ মেট্ৰিক টন ধান উৎপন্ন হৈছিল।

***অসমত প্ৰধানকৈ তিনি প্ৰকাৰৰ ধান খেতি কৰা হয় সেইবোৰ হ’ল-***

( ক ) **শালি ধান :-** শালি ধান অসমত বিস্তৃতভাৱে কৰা হয়। অসমৰ মুঠ ধান খেতি কৰা মাটিৰ প্ৰায় ৭০ শতাংশ মাটিত শালি খেতি কৰা হয়। ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ সাৰুৱা পলসুৱা মাটিত শালি খেতি ভাল হয়। এই খেতি ৰােপণ পদ্ধতিৰে জুলাই – আগষ্ট মাহত আৰম্ভ কৰি নৱেম্বৰ – ডিচেম্বৰ মাহত চপােৱা হয়।

( খ ) **আহু ধান :-** আহু খেতি সমভূমিৰ সাৰুৱা মাটিত কৰা হয় আৰু বিশেষকৈ নামনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমভূমি অঞ্চলত কৰা হয়। এই খেতি ফেব্ৰুৱাৰী – মাৰ্চ মাহত সিচন আৰু ৰােপন উভয় পদ্ধতিৰে কৰা হয় আৰু জুন – জুলাই মাহত চপােৱা হয়।

( গ ) **বড়াে ধান :-** বড়াে ধানৰ খেতি অসমৰ প্ৰায় আটাইকেইখন জিলাতে কৰা হয় । এই খেতি শীতকালত দঠাইবিলাকত কৰা হয় আৰু গৰমৰ সময়ত জুন – জুলাই মাহত বানপানী অহাৰ আগে আগে চপাে়ৰা হয় । এই খেতি বানপীড়িত অঞ্চলৰ কৃষকসকলৰ মাজত অতিকৈ জনপ্ৰিয় ।

**২৪। ধান কিয় অসমৰ প্ৰধানশস্য হিচাপে পৰিগণিত হৈছে ?**

**উত্তৰঃ** ধানক অসমৰ প্ৰধান শস্য হিচাবে পৰিগণিত কৰা কাৰণসমূহ তলত উল্লেখ কৰা হলঃ

( ক ) ৰাজ্যখনৰ গাােটেই ছয়টা কৃষি বায়বীয় অঞ্চলত ধান খেতি কৰা হয় । অন্যাৰ্থত , ৰাজ্যখনৰ সকলাে জিলাতে ধান খেতি কৰা হয় । ধানৰ নিচিনাকৈ কোনাে শস্যৰ খেতি বিস্তৃতভাৱে কৰা নহয় ।

( খ ) ধান খেতিৰ বাবে অনুকূল জলবায়ু , পৰ্যাপ্ত পানী , উৰ্বৰ ভূমি , প্লাৱন ভূমি এই আটাইকেইটা কাৰক অসমত বিৰাজ কৰে ।

( গ ) অসমৰ মুঠ ৩৭.১০ লাখ হেক্টৰ ( ২০১১-১২ ) কৃষিভূমিৰ ২৫.৪৫ লাখ হেক্টৰ মাটিত ধান খেতি কৰা হয় । ৬৮ শতাংশ কৃষিভূমিত ধান খেতি কৰা হয় কাৰণে ধানক অসমৰ প্ৰধান শস্য বুলি কোৱা হয় ।

**২৫। অসমত কি কি মাহজাতীয় শস্যৰ খেতি কৰা হয় ?**

**উত্তৰঃ** অসমত বিভিন্ন প্ৰকাৰৰ মাহজাতীয় শস্যৰ খেতি কৰা হয় । যেনেঃ মাটি মাহ , মগু মাহ , মচুৰ মাহ , মটৰ মাহ , ৰহৰ মাহ , বুট মাহ আদি । ২০১১-১২ চনৰ তথ্য অনুসৰি সৰ্বমুঠ ১.৩২ হেক্টৰ মাটিত মাহজাতীয় শস্যৰ খেতি কৰা হয় আৰু ০.৭৬ লাখ মেট্ৰিক টন শস্য উৎপন্ন হয় ।

**২৬। অসমৰ ঝুম খেতিৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** অসমৰ কৃষি পদ্ধতিৰ এটা উল্লেখযাােগ্য বৈশিষ্ট্য হ'ল কাৰ্বি আলং আৰু ডিমা – হাচাও পাহাৰীয়া জিলা দুখনত কৰা ঝুম খেতি । কাৰ্বি আলং জিলাৰ ৫৪৫২ বৰ্গ কিল'মিটাৰ আৰু ডিমা হাছাও জিলাৰ ২৫৯৭ বৰ্গ কিল'মিটাৰ অঞ্চলত ঝুম খেতি কৰা হয় ।

ঝুম খেতি সাধাৰণে জনজাতীয় লাোকসকলে পাহাৰৰ এঢলীয়া মাটিত জংগল পুৰি চাফা কৰি পৰম্পৰাগত পদ্ধতিৰে কৰে আৰু দুই তিনি বছৰলৈ মাটিৰ উৰ্বৰতা শেষ নাোহাোৱালৈকে কৰে। তাৰ পিছত তেওঁলাোকে সেই ঠাই ত্যাগ কৰে আৰু একে খেতিৰ বাবে অন্য ঠাইলৈ গুচি যায়।

ঝুম খেতি প্ৰত্যক্ষভাৱে পাহাৰীয়া জনজাতিসকলৰ সামাজিক , সাংস্কৃতিক আৰু জীৱন ধাৰণৰ লগত জড়িত। ই এক প্ৰকাৰ মিশ্ৰিত কৃষি যদিও ইয়াৰ পৰা ভাল উৎপাদন পাোৱা নাযায়। ঝুম খেতিয়ে বন ধ্বংস , ভূমিক্ষয় , বায়ু প্ৰদূষণ , মাটিৰ উৰ্বৰতা হ্ৰাস আদিৰ নিচিনা পাৰিৱেশিক সমস্যাৰ সৃষ্টি কৰে।

তদুপৰি ই প্ৰকৃতিৰ পাৰিপাৰ্শ্বিক ভাৰসাম্যতাক , যথেষ্ট প্ৰভাবিত কৰে যিটোয়ে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ সৃষ্টি কৰে।

*২৭। ২০১৪ চনৰ অসমৰ ঔদ্যোগিক আৰু বিনিয়াোগ নীতিৰ প্ৰধান লক্ষ্যবাোৰ কি কি ?*

**উত্তৰঃ** ২০১৪ চনৰ অসমৰঔদ্যোগিক আৰু বিনিয়াোগ নীতিৰ প্ৰধান লক্ষ্যবাোৰ হ'লঃ

( ক ) ৰাজ্যখনত পণ্য উৎপাদনকাৰী খণ্ড আৰু সেৱা খণ্ডৰ লগতে বিভিন্ন অৰ্থনৈতিক কাৰ্যকলাপৰ বিকাশ ঘটাই ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি কৰা।

( খ ) ৰাজ্যখনত বিশেষকৈ গ্ৰাম্যাঞ্চলত জনমুৰি আয় আৰু নিয়াোগৰ সুবিধা বৃদ্ধি কৰা।

( গ ) ৰাজ্যখনৰ অতি ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগৰ বিকাশৰ বাবে বিনিয়াোগ বৃদ্ধি কৰা।

( ঘ ) বৃহৎ সংখ্যক দক্ষ লাোক সৃষ্টি কৰা।

**২৮। সেৱা খণ্ডৰ উদ্যোগ বুলিলে কি বুজায় ? উদাহৰণ দি বুজাই লিখা।**

**উত্তৰঃ** সেৱা খণ্ডৰ উদ্যোগসমূহ হ'ল সেইবাোৰ উদ্যোগ যিবাোৰে অস্পৰ্শনীয় সামগ্ৰী আৰু সেৱাসমূহৰ যাোগানৰ জৰিয়তে ৰাজহ উপাৰ্জন কৰে। প্ৰাথমিক আৰু দ্বিতীয়ক খণ্ডৰ উদ্যোগ সমূহৰ দ্বাৰা উৎপাদিত সামগ্ৰীসমূহ সেৱা খণ্ডৰ উদ্যোগ বা তৃতীয়ক খণ্ড উদ্যোগসমুহৰ জৰিয়তে দেশৰ জনসাধাৰণৰ ওচৰলৈ লৈ যাোৱা হয়।

***নিম্নোল্লিখিত সেৱাখণ্ডৰ উদ্যোগসমূহে অসমত সুন্দৰভাৱে বিকাশ লাভ কৰিছে :***

( ক ) বাণিজ্য ।

( খ ) পৰিবহণ আৰু যাে◌গাযাে◌গ ।

( গ ) পর্যটন উদ্যোগ ।

( ঘ ) হাে◌টেল ব্যৱসায় ।

( ঙ ) বেংক আৰু বীমা সেৱা ।

( চ ) সকলাে◌ ধৰণৰ ব্যৱসায় ।

( ছ ) লাে◌ক প্ৰশাসন । আৰু

( জ ) চিকিৎসা সেৱা ।

অসমত ব্যৱসায় অতি গুৰুত্বপূর্ণ । এই ক্ষেত্ৰত চাহ উদ্যোগ গুৰুত্বপূর্ণ ভূমিকা পালন কৰে । শেহতীয়া বর্ষসমূহত অসম উত্তৰ – পূর্বাঞ্চলৰ অন্য ৰাজ্যসমূহৰ প্ৰৱেশদ্বাৰ হাে◌ৱা বাবে ইয়াৰ পৰিবহণ আৰু যাে◌গাযাে◌গ ব্যৱস্থাই যথেষ্ট পৰিমাণৰ উদ্দীপনা লাভ কৰিছে যদিও অসমত ই সদায়ে অতি সংকটপূর্ণ হৈ আছে ।

অৱশ্যে ৰে'লপথ , বাটপথ , আকাশীপথ আৰু দূৰ । সংযাে◌গব্যৱস্থা আদিৰ ক্ষেত্ৰতবৃহৎ উন্নয়ন হাে◌ৱা পৰিলক্ষিত হয়।বর্তমান অসমত ২৫ খন ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্য , পুৰণি ধর্মীয় স্মৃতিসৌধ , বৃহৎ ব্ৰহ্মপুত্ৰ আৰু প্ৰাকৃতিক পৰিৱেশ আছে যিয়ে পর্যটকসকলক আকর্ষিত কৰে আৰু ইয়ে পর্যটন উদ্যোগৰ উন্নতি সাধন কৰিছে ।

**২৯। অসমৰ প্ৰধান কৃষিভিত্তিক উদ্যোগবাে◌ৰ কি কি ?**

**উত্তৰঃ** অসমৰ প্ৰধান কৃষিভিত্তিক উদ্যোগবাে◌ৰ **হ'লঃ**

( ক ) বন উদ্যোগ ।

( খ ) চাহ উদ্যোগ ।

( গ ) ৰেচম উদ্যোগ ।

( ঘ ) ৰবৰ উদ্যোগ ।

( ঙ ) খাদ্য প্ৰস্তুতকৰণ উদ্যোগ ।

( চ ) কাগজ উদ্যোগ । আৰু

( ছ ) মীন পালন, পশু পালন আদিৰ দৰে আনুসংগিক উদ্যোগ ।

**৩০। অসমৰ চাহ উদ্যোগৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** অসমৰ চাহ উদ্যোগক বৃহৎ কৃষিভিত্তিক উদ্যোগ বুলি ধৰা হয় । এই উদ্যোগে ৰাজ্যখনৰ অৰ্থনৈতিক ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।ইয়ে ভাল ৰাজহ আনি দিয়ে আৰু হাজাৰ হাজাৰ লোকক কৰ্মসংস্থান দিছে।ৰাজ্যখনৰ উপযুক্ত জলবায়ু আৰু মাটিৰ বৈশিষ্ট্যৰ বাবেই অসমত চাহ উদ্যোগ গঢ়ি উঠিছে ।

অসমত প্ৰায় ৭৬৫ খন চাহ বাগিচা আৰু ৭৮,০১১ খন সৰু চাহ বাগিচা আছে। অসমত প্ৰায় ৩১৮ হাজাৰ হেক্টৰ মাটিত চাহ খেতি কৰা হয় আৰু ২০১২ চনত অসমে প্ৰায় ৫৯০ হাজাৰ টন চাহ উৎপাদন কৰিছে । অসমত প্ৰতিদিনে প্ৰায় ৬.৮৬ লাখ লোকে চাহ উদ্যোগত কাম কৰে ।

ভাৰতৰ চাহ ব'ৰ্ডৰ তথ্যমতে অসমত ক্ষুদ্ৰ চাহ খেতিয়কসকলে ৮৮ হাজাৰ হেক্টৰ মাটিত চাহ খেতি কৰে আৰু প্ৰায় ১০৭ হাজাৰ টন চাহ উৎপাদন কৰে । গোটেই ভাৰতবৰ্ষৰ ভিতৰত ৫১ ৰ পৰা ৫৩ শতাংশ চাহ উৎপাদন কৰি অসম দেশৰ ভিতৰতে চাহ উৎপাদনত শীৰ্ষস্থান দখল কৰিছে ।

**৩১। অসমৰ মীন উদ্যোগৰ বৰ্তমান অৱস্থা কেনেকুৱা ?**

**উত্তৰঃ** বৰ্তমান সময়ত অসমৰ অৰ্থনৈতিক খণ্ডত মীন পালন বা মীন উদ্যোগে যথেষ্ট অগ্ৰগতি লাভ কৰিছে । ৰাজ্যখনত মীন উদ্যোগৰ বিকাশৰ বাবে যথেষ্ট সম্ভাৱনা আৰু পৰিৱেশ আছে ।

অসমত অসংখ্যা নদ – নদী , প্লাৱন ভূমি , বিল , জলাহ ভূমি আৰু পিটনি , পুখুৰী , খাল আদিৰ দৰে বহুতো সৰু সৰু জলাশয় আছে য'ত যথেষ্ট পৰিমাণে মাছ পোৱা যায় । আনহাতে , ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ প্লাৱন ভূমিৰ জলাহবোৰতো প্ৰাকৃতিকভাৱে প্ৰচুৰ পৰিমাণৰ মাছ উপলব্ধ হয় ।

মীন পালনৰ বৈজ্ঞানিক পদ্ধতি ব্যৱহাৰেৰে যে মীন উদ্যোগ খণ্ডত উৎপাদন বৃদ্ধি কৰিব পাৰি এই ক্ষেত্ৰত কোনােধৰণৰ সন্দেহ নাই। উপলব্ধ তথ্য অনুসৰি অসমত প্ৰায় ৬০ হেজাৰ হেক্টৰ মাটিকালি সামৰি লােৱা প্ৰায় ৪৩০ খন চৰকাৰী পঞ্জীয়নভুক্ত বিলৰ লগতে ৪০ হেজাৰ হেক্টৰ মাটিক সামৰি লােৱা প্ৰায় ৭৬৭ খন অপঞ্জীয়নভুক্ত অন্য বিল আছে।

তদুপৰি যথেষ্ট সংখ্যক পুখুৰী , জলাহ , পিটনি , জলাশয় আদি আছে যিবােৰক মৎস্যক্ষেত্ৰ হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। এইটো দেখা যায় যে যােৱা দহবছৰ ভিতৰত অসমত মাছৰ পােনা উৎপাদন ২.৫ গুণ বৃদ্ধি পাইছে যদিও মাছৰ উৎপাদন কেৱল ১.৫ গুণহে বৃদ্ধি পাইছে।

যােৱা ২০১১-১২ বৰ্ষত জিলাভিত্তিক মাছৰ পােনা উৎপাদনৰ তথ্য মতে বৰপেটা জিলা শীৰ্ষস্থানত আছে। আৰু ইয়াৰ পিছতে আছে ক্ৰমে কৰিমগঞ্জ আৰু নগাঁও জিলা। এই তথ্যৰ পৰাই দেখা যায় যে মাছউৎপাদনৰ ক্ষেত্ৰত নগাঁও জিলা প্ৰথম স্থানত আছে আৰু ইয়াৰ পিছতে আছে ক্ৰমে কাছাৰ আৰু ধুবুৰী জিলা।

অসমৰ মীন উদ্যোগ খণ্ডই ৰাজ্যখনৰ ঘৰুৱা উৎপাদনলৈ কেৱল দুই শতাংশহে বৰঙণি যােগাব পাৰিছে। বৰ্তমান অসমে বছৰি প্ৰায় ০.২০ লাখ টন মাছ দেশখনৰ অন্য ৰাজ্যৰ পৰা আমদানি কৰে।

**৩২। অসমৰ কৃষি উন্নয়নৰ সমস্যাবােৰ উল্লেখ কৰা।**

**উত্তৰঃ** অসমৰ কৃষি উন্নয়নৰ সমস্যাবােৰ **হৈছেঃ**

( ক ) ৰাজ্যখনৰ প্ৰায়বােৰ অংশৰে লােকসকলে পুৰণি পৰম্পৰাগত পদ্ধতিৰে কৃষিকাৰ্য কৰাৰ ফলত কম পৰিমাণৰ শস্য উৎপাদন হয়।

( খ ) কাৰ্বি আলং আৰু ডিমা হাছাও পাৰ্বত্য জিলা দুখনৰ লােকসকলে ঝুম খেতি অব্যাহত ৰখাত ইয়াৰ দ্বাৰা নিৰ্বনানীকৰণ , ভূমি অৱক্ষয় , মাটিৰ উৰ্বৰতা শক্তি হ্ৰাস , অতি নিম্ন পৰিমাণৰ উৎপাদন আদিৰ দৰে বহুতাে জটিল নেতিবাচক পৰিণতিৰ সৃষ্টি হৈছে।

( গ ) অসমৰ কৃষকসকলৰ কৃষিভূমি সাধাৰণতে কম পৰিমাণৰ হােৱা বাবে এইবােৰত আধুনিক কৃষি সঁজুলি আৰু কৌশল ব্যৱহাৰ কৰাত প্ৰতিবন্ধকতাৰ সৃষ্টি হৈছে।

( ঘ ) ৰাজ্যখনৰ কৃষিখণ্ডত উপলব্ধ হােৱা জলসিঞ্চন ব্যৱস্থা উন্নত নহয় আৰু এই জলসিঞ্চনৰ সুবিধাও পৰ্যাপ্ত নহয়।

( ঙ ) ধান হৈছে ৰাজ্যখনৰ প্ৰধান শস্য । কিন্তু প্ৰায়বাোৰ খেতিয়কেই ধান খেতিৰ ক্ষেত্ৰত পৰম্পৰাগত পদ্ধতি অনুসৰণ কৰাত ইয়াৰ উৎপাদনৰ পৰিমাণ সীমিত হৈ আছে ।

( চ ) ৰাজ্যখনত প্ৰতিবছৰে হাোৰা বানপানীয়ে প্ৰায়ে মুঠ কৃষিভূমিৰ ২৫ শতাংশৰাে অধিক অঞ্চল প্লাৱিত কৰি শস্যসমূহ নষ্ট কৰে।এই বান পানীয়ে নদীত গৰাখহনীয়া সৃষ্টি কৰাৰ ফলত প্ৰতিবছৰে বুজন পৰিমাণৰ সাৰুৱা কৃষিভূমি অনুৰ্বৰ হয় ।

( ছ ) কৃষিজাত দ্ৰব্য বা শস্যসমূহ সংৰক্ষণ কৰা পদ্ধতিও পৰম্পৰাগত আৰু অনুপযুক্ত ।

( জ ) কৃষকসকলে তেওঁলাোকৰ উৎপাদিত শস্যৰ উচিত মূল্য লাভ কৰিব নাোৰাৰ ফলত তেওঁলাোক আৰ্থিকভাৱে দুৰ্বল হৈ আছে ।

( ঝ ) ৰাজ্যখনত এতিয়াও কৃষকসকলক কৃষিৰ ক্ষেত্ৰত ৰেহাইমূলক ঋণ , উন্নতমানৰ বীজ , আধুনিক সাৰ আৰু কৃষি সঁজুলি আদি প্ৰদানৰ ব্যৱস্থাৰ অভাৱ পৰিলক্ষিত হয় ।

( ঞ ) ৰাজ্যখনত এতিয়াও কৃষিখণ্ডত ৰেহাই মূলক ঋণ লাভ কৰাটো এক জটিল প্ৰক্ৰিয়া হৈ আছে ।

**৩৩। অসমৰ ঔদ্যোগিক বিকাশ এতিয়াও কিয় মন্থৰ হৈ আছে তাৰ কাৰণসমূহ লিখা ।**

**উত্তৰঃ** অসম ৰাজ্যখন যদিও বহুতাে খনিজ সম্পদৰ ভঁৰাল তথাপিই এতিয়ালৈ ঔদ্যোগিক উন্নয়নৰ ক্ষেত্ৰত অধিক অগ্ৰগতি লাভ কৰিব পৰা নাই । অসমৰ ঔদ্যোগিক বিকাশ মন্থৰ হৈ থকাৰ প্ৰধান কাৰণসমূহ হৈছেঃ

( ক ) ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদসমূহৰ উপযুক্ত ব্যৱহাৰৰ জৰিয়তে ঔদ্যোগিক উন্নয়ন সাধন কৰিবলৈ সৰ্বাত্মক তথা সুসংহত পৰিকল্পনাৰ অভাৱ ।

( খ ) প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও কৃষিভিত্তিক উদ্যোগ খণ্ডই অধিক অগ্ৰগতি লাভ কৰিব পৰা নাই ।

( গ ) ৰাজ্যখনে পৰ্যাপ্ত পুঁজিৰ অভাৱৰ সন্মুখীন হৈছে ।

( ঘ ) উদ্যোগ স্থাপনৰ ক্ষেত্ৰত মনাোযাোগ আৰু উদ্যোগী স্পৃহা সৃষ্টি কৰিবলৈ স্থানীয় লাোক তথা যুৱচামৰ কৰ্মদক্ষতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰা পৰিকল্পনাৰ অভাৱ ।

( ঙ ) চৰকাৰৰ জটিল আৰু অনমনীয় ঔদ্যোগিক নীতি ।

( চ ) ঔদ্যোগিক খণ্ডত পৰিলক্ষিত হাোৱা বিনিয়াোগৰ অভাৱ।ৰাজ্যখনৰ বিদ্ৰোহী সমস্যাৰ বাবে বাহিৰৰ বিনিয়াোগ কাৰীসকলে অসমৰ ঔদ্যোগিক খণ্ডত বিনিয়াোগ কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰে ।

( ছ ) ৰাজ্যখনত পৰ্যটন উদ্যোগৰ প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও সম্পূৰ্ণৰূপে বিকশিত হাোৱা নাই।

( জ ) পচনশীল কৃষিজাত দ্ৰব্যসমূহৰ সংৰক্ষণৰ তথা সঞ্চয়ৰ বাবে উপযুক্ত ভৰালৰ অভাৱৰ ফলত খাদ্য প্ৰস্তুতকাৰী উদ্যোগসমূহে আশানুৰূপ উন্নতি লাভ কৰিব পৰা নাই ।

( ঝ ) ৰাজ্যখনত ঔদ্যোগিক উন্নয়নৰ বাবে প্ৰয়াোজনীয় আন্তঃগাঁথনিৰ অভাৱ ।

**৩৪। অসমৰ পৰ্যটন উদ্যোগৰ সমস্যাবাোৰ উল্লেখ কৰা ।**

**উত্তৰঃ** অসমৰ পৰ্যটন উদ্যোগৰ সমস্যাবাোৰ **হৈছেঃ**

( ক ) চৰকাৰ আৰু ব্যক্তিগত পক্ষ উভয়ে এই খণ্ডত কৰা মূলধনৰ বিনিয়াোগ পৰ্যাপ্ত পৰিমাণৰ নহয় ।

( খ ) অনুন্নত পৰিবহণ ব্যৱস্থা ।

( গ ) পৰ্যটন স্থলীসমূহৰ উপযুক্ত উন্নয়নৰ বাবে সু – পৰিকল্পনাৰ অভাৱ ।

( ঘ ) ৰাজধানী চহৰখনৰ বাহিৰে অন্য স্থানসমূহৰ বুনিয়াদী সা – সুবিধাৰ শাোচনীয় অৱস্থা ।

( ঙ ) ৰাজ্যখনৰ পৰ্যটন স্থলসমূহৰ বিষয়ে চলাোৱা তেনেই সীমিত প্ৰচাৰ কাৰ্যসূচী ।

( চ ) ৰাজ্যখনৰ বিভিন্ন অংশলৈ আকাশী পৰিবহণ ব্যৱস্থাৰ অভাৱ ।

( ছ ) বিদ্ৰোহী সমস্যাৰ বাবে অসম ভ্ৰমণ কৰাৰ ক্ষেত্ৰত পৰ্যটকসকলে কৰা শংকাবাোধ ।

**৩৫। অসমৰ অৰ্থনৈতিক উন্নয়নৰ সম্ভাৱনাবাোৰ কি কি ?**

**উত্তৰঃ** অসম ৰাজ্যখন বহুতাে সম্পদত চহকী । অসমত পৰ্যাপ্ত পৰিমাণৰ ভূমিজ , বনজ , খনিজ আৰু মানৱ সম্পদ আছে । ইয়াত বিস্তৃত সমতল ভূমি , বৃহৎ নদ – নদী , বিশাল পৰিমাণৰ মাটিকালি আগুৰি থকা বৃহৎ অৰণ্য , বিশাল প্লাৱন ভূমি , অসংখ্য আৰ্দ্ৰভূমি , চাপৰ মালভূমিৰ দীঘলীয়া তথা বিস্তৃত ঢাল আদিৰ উপস্থিতি দেখা যায় ।

এই সকলাােবাােৰৰ যদি উপযুক্তভাৱে বিকাশ সাধন কৰা হয় তেতিয়া ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নাে খৰতকীয়া হৈ পৰিব । ৰাজ্যখন কয়লা , তেল , প্ৰাকৃতিক গেছ আৰু চূণশিল আদিৰ দৰে খনিজ সম্পদত অতি চহকী । এই সম্পদসমূহৰ সঠিক ব্যৱহাৰ আৰু বিকাশৰ দ্বাৰা ৰাজ্যখনৰ উচ্চ পৰ্যায়ৰ ঔদ্যোগিক বিকাশ সাধন কৰিব পৰা যায় ।

চাহপাত উদ্যোগ , ৰবৰ উদ্যোগ , কাগজ উদ্যোগ , মৰাপাট উদ্যোগ , খাদ্য প্ৰস্তুতকাৰী উদ্যোগ আদিৰ দৰে কৃষিভিত্তিক উদ্যোগসমূহ উন্নয়ন তথা বিকাশৰ বৃহৎ সম্ভাৱনা আছে যদিও এই উদ্যোগসমূহে চৰকাৰৰ সমৰ্থন , শান্তিপূৰ্ণ বাতাৱৰণ আৰু জনসাধাৰণৰ সহায় – সহযাােগিতাৰ যাােগেদিহে অগ্ৰগতি লাভ কৰিব পাৰে বা লহপহকৈ বাঢ়িব পাৰে। কিন্তু ৰাজ্যখনত বৰ্তমান এইধৰণৰ সহায় – সহযাােগিতাৰ পৰিৱেশৰ অভাৱ ।

এইটো একেবাৰে সত্য কথা যে ৰাজ্যখনৰ বৃহৎ পৰিমাণৰ মানৱ সম্ভাৱনা এতিয়াও সম্পূৰ্ণৰূপে বিকশিত হাােৱা নাই । ৰাজ্যখনৰ ৩১ নিযুত লাােকৰ ভিতৰত ১৫ ৰ পৰা ৩৪ বছৰ বয়সৰ প্ৰায় ১০ নিযুত যুৱ প্ৰজন্মৰ লাােক আছে ।

তেওঁলাােকৰ সম্ভাৱনাসমূহে এতিয়াওঁ সম্পূৰ্ণৰূপে বিকাশ লাভ কৰা নাই । এই লাােককলক তেওঁলাােকৰ শৈক্ষিক কাৰ্যক্ৰমৰ সময়ছাােৱাত উপযুক্ত কৰ্মদক্ষতা তথা বৃত্তিমূলক প্ৰশিক্ষণ আৰু সঠিক দিশ প্ৰদানৰ দ্বাৰা অধিক দক্ষ কৰি গঢ়ি তুলিব পাৰি ।